Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

দশম শ্ৰেণীৰ বাবে

দ্বিতীয় ভাগ

অসমীয়া সাহিত্য চয়নিকা (নতুন)

(বৈকল্পিক)



এটা খড়গ থকা গঁড় অসমৰ সম্পদ,
এই গঁড় বধ কৰাজন অসমৰ বৈৰী।

পাঠ - ১৪

ধৰ ঝাড়ু ধৰ ভাই

অংশ - ১

অংগৰাগ ভূঞা

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

পদ্যাংশ

ধৰ ঝাড়ু ধৰ ভাই



অম্বিকাগিৰী ৰায়চৌধুৰী

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

কবি-পৰিচয়

অসম কেশৰী অম্বিকাগিৰী ৰায়চৌধুৰী কুৰি শতিকাৰ অসমৰ এগৰাকী কবি, গীতিকাৰ, গায়ক, গদ্য- লেখক, সংবাদসেবী, আলোচনী সম্পাদক আৰু ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ নিষ্ঠাবান সংগ্ৰামী। তেওঁৰ জন্ম হৈছিল ১৮৮৫ চনত, ৰৰপেটাত। তেওঁৰ পিতৃৰ নাম কৃষ্ণৰাম ৰায়চৌধুৰী আৰু মাতৃৰ নাম দেৱকী দেৱী। ৰৰপেটাত প্ৰাথমিক শিক্ষা লাভ কৰি অম্বিকাগিৰীয়ে ১৮৯৯ চনত গুৱাহাটীলৈ

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

আহে আৰু সোণাৰাম হাইস্কুলত ইংৰাজী শিক্ষা গ্ৰহণ কৰে। স্কুলীয়া শিক্ষা আধৰুৱাতে এৰি তেওঁ স্বদেশী আন্দোলন তথা অন্যান্য সামাজিক উন্নয়নমূলক কামত যোগ দিছিল। দেশৰ স্বাধীনতা উদ্ধাৰৰ হেতু তেওঁ ডেকা ছাত্ৰসকলৰ সৈতে লগ-লাগি ইংৰাজী বিৰোধী এনার্কিষ্ট দল গঠন কৰাৰ উপৰি অসহযোগ আন্দোলন আদিতো সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিছিল। এনেবোৰ কাৰণতে তেওঁ কেইবাবাৰো কাৰাবাস খাটিবলগীয়া হৈছিল।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

অসহযোগ আন্দোলনৰ সময়ত কাৰাবাসত ভোগা শাস্তিৰ অভিজ্ঞতাৰে তেওঁ 'ভাঙিব লাগিব শিল', 'ধৰ ঝাৰু ধৰ ভাই' আদি গীত ৰচনা কৰি স্বাধীনতা সংগ্রামীসকলক অনুপ্রেণা যোগাবলৈ চেষ্টা কৰিছিল।

অম্বিকাগিৰী ৰায় চৌধুৰীয়ে বহুসংখ্যক গীত, কবিতা, গদ্য, নাটক আদি ৰচনা কৰিছিল। তেওঁৰ উল্লেখযোগ্য কবিতা পুথি হ'ল- 'তুমি', 'বীণা', 'অনুভূতি', 'বেদনাৰ উল্কা', দেশেই ভগৱান আদি।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

তেওঁ 'চেতনা' আলোচনীৰ সম্পাদক আছিল। ১৯৫০ চনৰ অসম সাহিত্য সভাৰ মাৰ্ঘেৰিটা অধিৱেশনৰ তেওঁ সভাপতি আছিল। ১৯৬৭ চনত তেওঁৰ মৃত্যু হয়।



Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

ধৰ ঝাড়ু ধৰ ভাই

ধৰ ঝাড়ু ধৰ ভাই!
আৰু চাবৰ সময় নাই-
চাই থাকোঁতে মুখত কেৱল
ভৰিল কাজল-ছাই।
সাতাম পুৰুষৰ
আহা! সোণৰ চোতাল ঘৰ
কত যুগৰ ভুঁহুৰ পৰি
আছে যে পোত খাই।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

কৰিলিতো ইমান দিনে
পৰ গোলামি হীনে-ঘিণে —
পূজা দিলি পৰ চৰণত
জীৱন ঢালি ধাৰে-ঋণে—
হ'ল এৰে তোৰ সময় হ'বৰ
জাতিৰ ঝাড়ুদাৰ যে ভাই।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

হিংসা-দ্বেষৰ, ভেদাভেদৰ,
ঘৃণা-ঘৃণি স্বার্থ ভেমৰ
কত যে কি মলি-মামৰ
ভৰি জাতিৰ জীৱন যায়,—

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

ধৰ ঝাড়ু ধৰ ভাই
বীৰ-বেশেৰে ধৰ ঝাড়ু ধৰ
জাতিৰ জীৱন কৰ মনোহৰ
সাৰি-পুছি চুকে-কোণে
যত যি আছে জাহি-জাবৰ
নহ'লে যে বিশ্ব-সভাত
নহ'ব তোৰ বহাৰ ঠাই।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

শব্দার্থ আৰু টোকা

কাজল-ছাই : কলংক, পৰাধীনতা, কালিমা

সোণৰ চোতাল : সোণ অতি মূল্যবান বস্তু। সোণৰ দৰেই মূল্যবান চোতাল এখন যি ঐতিহ্যৰে ভৰপূৰ।

যুগৰ ভূহুৰ : সময়ৰ তৰপে তৰপে গোট খাই থকা ভেৰণি। অর্থাৎ বহুদিন ধৰি গোট খাই থকা জাবৰ-জোঁথৰ, মলি ইত্যাদি, পৰাধীনতাৰ কালিমা।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

গোলামি : অধীনত থকা। আনৰ তলত থকা - য'ত নিজৰ কোনো ধৰণৰ স্বাধীনতা নাথাকে।

সাতাম পুৰুষীয়া : সুপ্ৰাচীন, বহু পুৰুষৰ পৰা চলি অহা।

হিংসা-দ্বেষ : পৰস্পৰৰ প্ৰতি হিংসা ভাব, খিয়লা-খিয়লি।

চুকে-কোণে : অতি ভিতৰুৱা ঠাইত; সকলো ঠাইতে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

পাঠবোধ

ঝাড়ুৰে সাৰি-পুছি ঘৰ-দুৱাৰ চিকুণাই তোলাৰ দৰে আমাৰ মনৰ মাজত থকা মলিস্বৰূপ পৰস্পৰ ভেদাভেদ, হিংসা-বিদ্বেষ, ঘৃণা আদি নাইকিয়া কৰি সকলোৱে একগোট হৈ দেশখনৰ হেৰুৱা স্বাধীনতা ঘূৰাই আনি বিশ্বৰ দৰবাৰত এখন উচ্চ স্থান অধিকাৰ কৰিবলৈ কবিয়ে সকলোকে আহ্বান জনাইছে। কবিতাটি দেশ পৰাধীন হৈ থকা সময়ত কবিয়ে আন্দোলন কৰি সশ্রম কাৰাদণ্ড খাটি থকাৰ সময়ত ৰচনা কৰা।

Under CSR Support by
ipca | Foundation

মূল্যায়ন

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



১। অম্বিকাগিৰী ৰায়চৌধুৰীক কি আখ্যা দিয়া হৈছিল?



আসাম কেশৰী

Under CSR Support by
ipca | Foundation

মূল্যায়ন

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো





২। জাতিৰ জীৱন মনোহৰ কৰিবলৈ
কবিয়ে কি বেশেৰে ঝাড়ু
ধৰিবলৈ কৈছে?

বীৰ-বেশেৰে

Under CSR Support by
ipca | Foundation

মূল্যায়ন

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো





৩। কবিয়ে চাই থাকোঁতে থাকোঁতে মুখ কিহেৰে ভৰি পৰিল বুলিছে?

বৰজল-চাঁইৰে